# 2024

## ASSAMESE

( Honours Elective )

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসবাদী কবিতা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ৰমণ্যাসবাদ হ'ল "বিস্ময়ৰ পুনৰ জাগৰণ" কথাষাৰ কোনে কৈছিল ?

(খ) ১৮৮৯ চনটো অসমীয়া সাহিত্যত কি কাৰণে বিখ্যাত ?

(গ) 'কদমকলি' কাব্যগ্ৰন্থখনি কোন চনত প্ৰকাশ পাইছিল ?

(ঘ) অসমীয়া সাহিত্যত প্ৰথমটো ৰমণ্যাসিক কবিতা কোনে ৰচনা কৰিছিল ?

(ঙ) মৰণোত্তৰভাৱে প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যগ্ৰন্থখনৰ নাম কি ?

(চ) ৰঘুনাথ চৌধাৰী ৰচিত কথা-কবিতাৰ পুথিখনৰ নাম লিখা।

(ছ) 'সোণোৱালী দেশ' কবিতাটোৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(জ) 'বিশ্বশিল্পী' কবিতাটোৰ মাজেৰে প্ৰধানকৈ কবিৰ কি সুৰ ধ্বনিত হৈছে?

(ঝ) 'লালকিল্লা' কবিতাটোত কোন সাম্ৰাজ্যৰ পতনৰ কথা উল্লেখ আছে?

(ঞ) 'প্ৰিয়তমাৰ চিঠি' কবিতাটো কোনবিধ চনেটৰ আৰ্হিত ৰচিত?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'লিৰিকেল বেলাড' গ্ৰন্থখনৰ লেখক দুগৰাকী কোন কোন?

(খ) মফিজুদ্দিন আহমদ হাজৰিকাৰ ৰচিত কাব্যগ্ৰন্থ দুখনৰ নাম কি কি?

(গ) অসমীয়া সাহিত্যৰ যি কোনো দুগৰাকী চনেটকাৰৰ নাম লিখা।

(ঘ) নলিনীবালা দেৱী ৰচিত দুখন কাব্যগ্ৰন্থৰ নাম লিখা।





(ঙ) "সোণোৱালী দেশৰ ৰেখাটি
ধীৰে ধীৰে জিলিকে দূৰত,
সংগীতৰ সুমধুৰ সুৰ
উৰি উৰি আহে বতাহত।"

এই স্তৱকটিৰ ৰচক কোন? তেখেতৰ ৰচিত এখন কাব্যগ্ৰন্থৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) "বীণৰ আত্মাটি উৰি গুণ গায়
কোনেনো ভোমোৰা বোলে?
খোপাৰ ফুলটি উৰিয়েই প্ৰিয়াৰ
পখিলাৰ নাম পালে।"

প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(খ) 'নিয়ৰ' কবিতাটিৰ কবিৰ কল্পনাপ্ৰৱণতা কেনেদৰে প্ৰকাশ পাইছে, চমুকৈ আলোচনা কৰা।

(গ) 'মানৱায়তন' কবিতাটোৰ মূলভাৱ লিখা।

(ঘ) অসমীয়া কাব্য-সাহিত্যলৈ কবি শৈলধৰ ৰাজখোৱাদেৱৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঙ) "যদিওবা পখী ক্ষুদ্ৰ জীৱ তই
শৰীৰৰ শক্তি ক্ষীণ,
কিন্তু সি শক্তিত বিশ্ব প্ৰেমৰস
ব'ই থাকে ৰাতি দিন।"

এই স্তৱকটিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(চ) কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা লিখা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভ্ৰম' কবিতাটোৰ বিষয়বস্তু তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(খ) চুফীবাদ বুলিলে কি বুজা? চুফীবাদৰ দৰ্শন মফিজুদ্দিন আহমদ হাজৰিকাৰ 'আত্মন' কবিতাটোত কেনেদৰে পৰিস্ফুট হৈ উঠিছে বিচাৰ কৰা। চুফীবাদী দৰ্শনৰ সতে ৰহস্যবাদৰ সম্পৰ্ক বিচাৰ কৰা।

(গ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' (প্ৰথম তৰংগ) কবিতাটোৰ এটি বৈশিষ্ট্যমূলক আলোচনা আগবঢ়োৱা।

(ঘ) প্ৰিয়তমাৰ আগমনৰ আগত আৰু পিছত কবিৰ অৱস্থা কেনেকুৱা হৈছে—কবি ৰত্নকান্ত বৰকাকতিৰ 'বিশ্বহৰণ' কবিতাটিৰ আলমত বিচাৰ কৰা।

(ঙ) শোক কবিতা হিচাপে শৈলধৰ ৰাজখোৱা ৰচিত 'বিদায় পৰত' কবিতাটিৰ এটি পৰ্যালোচনা আগবঢ়োৱা।

(চ) কবিয়ে নিজকে কিয় বিশ্বশিল্পীৰ ৰূপত সজাব বিচাৰিছে? 'বিশ্বশিল্পী' কবিতাটোৰ মাজেৰে কবিৰ বিশ্বজনীন সুৰটো কেনেদৰে ধ্বনিত হৈছে, ব্যাখ্যা কৰা।

(ছ) দেশপ্ৰেমমূলক কবিতা হিচাপে 'হে জননী ভাৰতবৰ্ষ'ৰ অন্তৰ্নিহিত কথাখিনি উদ্ধৃতি সহকাৰে আলোচনা কৰা।

(জ) ডিম্বেশ্বৰ নেওগৰ 'শাপমুক্তা' কবিতাটোৰ নামকৰণৰ তাৎপৰ্য বিচাৰ কৰি কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

★★★